১৯৯২
অসম চৰকাৰী ছপাশালত মুদ্রিত
গুৱাহাটী-৭৮১০২১ ।

REFERENCE,
(NOT FOR ISSUE)
ING ONLY INSP... LIBRARY

সত্যমেৱ জয়তে

# বাজেট ভাষণ

"খ" খণ্ড

১৯৯২-৯৩

১৬ মাৰ্চ, ১৯৯২

শ্ৰীহিতেশ্বৰ শইকীয়া
মুখ্যমন্ত্ৰী, অসম

## খ খণ্ড

রাজ্যিক বিত্ত

৪৮। ক্ৰমান্বয়ে বাঢ়ি. অহা বাজেট ঘাটিয়ে চিহ্নিত কৰা বিত্তীয় ভাৰসাম্য হীনতা ৰাজ্য চৰকাৰৰ বাবে উদ্বেগৰ এটা মাই কাৰণ। ১৯৯১-৯২ চনৰ বিত্তীয় বছৰটো আৰম্ভ হৈছিল ভাৰতীয় ৰিজাৰ্ভ বেংকত ৭২ কোটি টকাৰ ঘাটিৰে। তদুপৰি বছৰটোৰ ভিতৰত হোৱা বিভিন্ন লেন-দেনৰ ফলত ২৪১ কোটি টকাৰ আনুমানিক ঘাটি থাকিবগৈ বুলি ভবা হৈছে। চৰকাৰৰ বিভিন্ন দায় দায়িত্বৰ ফলত সংশোধিত হিচাপত ঘাটিৰ পৰিমাণ বাজেটত আশা কৰাতকৈ অধিক হোৱাৰ সম্ভাবনা আছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা আমাৰ প্ৰাপ্যাখিনি আগতীয়াকৈ উলিয়াই আৰম্ভণিৰ বৃহৎ ঘাটি নোহোৱা কৰা হৈছিল যদিও এই বৃহৎ আৰম্ভণি ঘাটিৰ অৱশ্যম্ভাবী পৰিণতি হলগৈ একাদিক্ৰমে আৰু সঘনে হোৱা অভাৰ ড্ৰাফট। ঋণ আৰু সূদৰ পৰিশোধ পিছুৱাই দিয়াকৈ ধৰি কেন্দ্ৰৰ পৰা আৰু অধিক আগতীয়া ধন উলিয়াই এই বিপৰ্যয়ৰ পৰা হাত সাৰিব পৰা গৈছিল। ইয়াৰ ফলত সাময়িক ভাবে হলেও আমি কিছু সকাহ পাইছিলো।

ৰাজহুৱা ঋণ

৪৯। বছৰৰ পিছত বছৰ ধৰি ঋণগ্ৰস্ততাৰ সমস্যাটো এক গুৰুতৰ ৰূপ ধাৰণ কৰিছেই। বছৰে বছৰে বাঢ়ি. যোৱা ৰাজ্যখনৰ ঋণৰ বোজাৰ পৰাই এই সমস্যাৰ জটিলতাৰ এটা ধাৰণা কৰিব পাৰি। ১৯৯০ চনৰ মাৰ্চৰ শেহলৈ অসমৰ পৰিশোধ নোহোৱাকৈ থকা ৰাজহুৱা ঋণৰ পৰিমাণ ৩৮৩৭ কোটি টকা হৈছিলগৈ আৰু ই ১৯৯০-৯১ চনৰ শেষলৈ ৪৪৪১ কোটি টকালৈ বৃদ্ধি পায়। ইয়াৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা ঋণৰ পৰিমাণ আছিল ৩৬৩৫ কোটি টকা ; অৰ্থাৎ মুঠ ঋণৰ প্ৰায় ৮২ শতাংশ। ইয়াৰ ভিতৰতো আকৌ পৰিকল্পনাৰ বাবে লোৱা ঋণৰ পৰিমাণ আছিল ১৮৭২ কোটি টকা অৰ্থাৎ কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা মুঠ ঋণৰ প্ৰায় ৫১ শতাংশ। ১৯৯০-৯১ চনত ৰাজ্যখনৰ জনমুৰি ঋণৰ পৰিমাণ আছিল ১৯৯২ টকা। এই পৰিমাণ ১৯৯১-৯২ চনত

২০২১ টকা আৰু ১৯৯২-৯৩ চনত ২০৬০ টকা পৰ্য্যন্ত বাঢ়ি.বগৈ বুলি অনুমান কৰা হৈছে।

ঋণ পৰিশোধ

৫০। ঋণ পৰিশোধৰ বাবে হোৱা দেনাৰ দ্রুত বৃদ্ধিয়েই হ'লগৈ ক্রমাগত বাঢ়ি. অহা ঋণৰ বোজাৰ অনিবাৰ্য পৰিণতি। ১৯৯০-৯১ চনৰ সময়ছোৱাত ঋণ পৰিশোধৰ বাবে প্রকৃতভাবে ব্যয় হোৱা ধনৰ পৰিমাণ আছিল ৪৫৫ কোটি টকা ; তাৰে ১৯৩ কোটি আছিল মূলধনৰ বাবদ আৰু ২৬২ কোটি আছিল সুতৰ বাবদ পৰিশোধ কৰা টকা। কেৱল ভাৰত চৰকাৰক পৰিশোধ কৰা ঋণৰ পৰিমাণেই হ'ল মুঠ মূলধনৰ বাবদ ১৭৮ কোটি আৰু সুতৰ বাবদ ২১৯ কোটি টকাকে ধৰি মুঠ ৩৯৭ কোটি টকা। ঋণ পৰিশোধৰ বাবে মুঠ দেনা ১৯৯১-৯২ চনত ৬৫৪ কোটি টকালৈ আৰু ১৯৯২-৯৩ চনত আৰু বাঢ়ি. ৬৮৮ কোটি টকা হবগৈ বুলি ভবা হৈছে। মাত্র ১০ শতাংশহে ঋণেৰে ১৯৯১-৯২ চনৰ পৰা পৰিকল্পনা ব্যয়ৰ ক্ষেত্রত লাভ কৰা পুঁজিৰ সুবিধা সত্বেও আগৰে পৰা জমা হৈ থকা ঋণৰ বোজা আৰু সম্পদৰ ঘাটি পূৰাবৰ বাবে লোৱা নতুন পৰিকল্পনা বহিৰ্ভুত ঋণৰ বাবে ঋণ পৰিশোধৰ দায়-দায়িত্ব বাঢ়ি. গৈয়েই আছে। ঋণ পৰিশোধৰ দেনাৰ এই অস্বাভাৱিক বৃদ্ধি ৰোধ কৰাৰ বাবে পাঁচ বছৰলৈকে ঋণ পৰিশোধ বন্ধ ৰাখি আটাইখিনি কেন্দ্ৰীয় ঋণ পৰিশোধৰ সময় সূচী সলোৱাৰ বাবে অনুৰোধ কৰা হৈছে।

আনুষ্ঠানিক বিত্ত

৫১। উৎপাদনমুখী খণ্ড সমূহত উন্নয়নৰ বাবে বেংক আৰু অন্যান্য বিত্তীয় প্রতিষ্ঠানসমূহৰ পৰা লোৱা বিত্তীয় সাহায্যৰ বেচ প্রাসংগিকতা আছে। পিছে এই দিশত লাভ কৰা অগ্রগতি আমাৰ আশানুপাতে হোৱা নাই। অসমত থকা অনুসূচীত বেংকৰ শাখাৰ সংখ্যা ৩১-১২-৯০ তাৰিখৰ ১২৭৯ টাৰ পৰা ৩০-৯-৯১ তাৰিখলৈ সামান্য বাঢ়ি. ১২৮১ টা হয়গৈ আৰু একোটা বেংকৰ বিপৰীতে থকা জনসংখ্যা ১৭,৪৩১ জনৰ পৰা সামান্য কমি ১৭৩২০ জন হয়গৈ। কিন্তু এই পৰিসংখ্যা ৰাষ্ট্ৰীয় গড়. সংখ্যাৰ তুলনাত আশানুৰূপ বুলিব নোৱাৰি। সামগ্রিক ভাবে দেশৰ একোটা বেংকৰ বিপৰীতে থকা গড়. জনসংখ্যা ১২,০০০ মাত্র। ৰাজ্যখনত

বেংকৰ নতুন শাখা খোলাৰ বাবে প্ৰায় ৫০ খনমান অনুজ্ঞাপত্ৰ বিভিন্ন বেংকত এতিয়াও পৰি আছে। ঋণ বিনিয়োগৰ দিশত ঋণ আৰু জমাৰ অনুপাত ১৯৯০ চনৰ ডিচেম্বৰ মাহৰ ৫৩.৬৬ শতাংশৰ পৰা কমি গৈ ১৯৯১ চনৰ চেপ্তেম্বৰ মাহত ৪৯.৪১ শতাংশ হয়গৈ। বেংকসমূহৰ পৰা অধিক ঋণ অহাটো নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰে বেংক খণ্ডৰ লগত ঘনিষ্ঠ যোগাযোগ ৰাখিছে।

**ক্ষুদ্ৰ সঞ্চয়**

৫২। আমাৰ উন্নয়নমূলক কাৰ্যসূচীবোৰত পুঁজি যোগান ধৰাৰ বেলিকা ক্ষুদ্ৰ সঞ্চয় এক অতি উল্লেখযোগ্য উৎস। ক্ষুদ্ৰ সঞ্চয়ৰ পৰা হোৱা প্ৰকৃত সংগ্ৰহৰ শতকৰা ৭৫ ভাগ -- ৰাজ্যখনে ঋণ সাহায্য হিচাপে লাভ কৰে। বিগত সময়ছোৱাত এইদৰে পোৱা ধনৰ পৰিমাণ বিশেষভাবে বৃদ্ধি পাইছে। ১৯৯০-৯১ চনত ক্ষুদ্ৰ সঞ্চয়ৰ প্ৰকৃত সংগ্ৰহৰ ভিতৰত আমাৰ অংশ আছিল ১৫৩ কোটি টকা। ১৯৯১ চনৰ এপ্ৰিল মাহৰ পৰা ১৯৯২ চনৰ জানুৱাৰী মাহলৈকে এই শিতানত পোৱা ধনৰ পৰিমাণ আগৰ বছৰৰ এই একে সময়ছোৱাত লাভ কৰা ৯৮ কোটি টকাৰ বিপৰীতে ১০৩ কোটি টকা। দেশৰ প্ৰায়বোৰ ৰাজ্যতে ক্ষুদ্ৰ সঞ্চয়ৰ পৰা হোৱা প্ৰকৃত সংগ্ৰহৰ পৰিমাণ কমি অহাৰ সময়ত অসমত ই বৃদ্ধিহে পাইছে।

**সম্পদ আহৰণ**

৫৩। বিত্তীয় ঘাটি হ্ৰাস কৰাৰ বিষয়টো অতি জটিল হৈ পৰাৰ বাবে কেৱল কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিলেই যথেষ্ট নহ'ব ; নিজৰ সম্পদ বৃদ্ধি কৰিবৰ বাবে ৰাজ্য চৰকাৰেও ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এই ব্যৱস্থাবলীৰ ভিতৰত ঘাইকৈ ৰাজহ আয় বৃদ্ধি আৰু পৰিকল্পনা বহিৰ্ভুত ব্যয় কৰ্তনেই থাকিব। ব্যাপক হাৰত ৰাজহ সংগ্ৰহ বঢ়োৱাৰ উপায় সীমিত হোৱা হেতুকে ব্যয় কৰ্তনত গুৰুত্ব দিব লাগিব। এনে কৰোতে ব্যয় সংকোচন ব্যৱস্থাই (austerity measures ) যাতে উন্নয়ন প্ৰক্ৰিয়াত প্ৰতিকুল প্ৰভাব নেপেলায় তাক সুনিশ্চিত কৰিবৰ বাবে সবাতোকৈ অধিক মনোযোগ দিব লাগিব।

৫৪। পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ বেছি ভাগ ঋণ পৰিশোধ, বেতন আৰু মজুৰিতেই যায় বাবে এই ক্ষেত্ৰত মিতব্যয়িতা এটা জটিল কাম। মাননীয় সদস্য সকলে নিশ্চয় অনুভব কৰিব যে জীৱন ধাৰণৰ বৰ্দ্ধিত খৰচে মৰগীয়া বানচৰ বৃদ্ধিৰ জৰিয়তে বেতনৰ ব্যয় অধিক বঢ়োৱাৰহে সম্ভাৱনা আছে আৰু সেয়ে এনে ব্যয় সংকোচন কৰাৰ সুযোগ প্ৰায় নায়েই। সমাজত সন্ত্ৰাসবাদ আৰু বাঢ়ি অহা উত্তেজনাৰ পটভূমিত আইন শৃংখলা ৰক্ষাৰ ক্ষেত্ৰতো খৰচৰ মাত্ৰা বাঢ়িবলৈ বাধ্য। তথাপিও, সম্ভৱ ক্ষেত্ৰত পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ বৃদ্ধি ৰোধ কৰাটো বৰ্ত্তমান সময়ৰ সৰ্ব্বাতোকৈ প্ৰয়োজনীয় কথা। এই সমস্যা সন্দৰ্ভত চৰকাৰ সম্পূৰ্ণৰূপে অৱগত আৰু বিত্তীয় শৃংখলা প্ৰবৰ্ত্তন কৰিবলৈ বহুতো ব্যৱস্থাও হাতত লোৱা হৈছে। সেয়েহে পোনতে, ভ্ৰমণ, ঘাইকৈ ৰাজ্যৰ বাহিৰত কৰা ভ্ৰমণ নিয়ন্ত্ৰিত কৰিবৰ বাবে কঠোৰ মিতব্যয়ী ব্যৱস্থা হাতত লোৱা হৈছে। নতুন গাড়ী কিনাটো বন্ধ কৰি দিয়া হৈছে আৰু ইন্ধন ব্যয়ো ২০ শতাংশ কৰ্ত্তন কৰা হৈছে। ৰাজ্য চৰকাৰে ব্যয় বহন কৰিব লগা প্ৰশিক্ষণ পাঠ্যক্ৰম, আলোচনা চক্ৰ আৰু কৰ্মশালাৰ বেলিকা উদগনি দিয়া নহ'ব। ৰাজহুৱা পুঁজি ব্যয় কৰিব লগীয়া হোৱা আড়ম্বৰপূৰ্ণ অনুষ্ঠানবোৰ বাদ দিয়া হ'ব। তদুপৰি, বয়-বস্তু, আচবাব-পত্ৰ আদিৰ নিচিনা কাৰ্য্যালয় ব্যয়ৰ বেলিকা মিতব্যয়িতা ৰক্ষা কৰা হ'ব। চৰকাৰৰ তৎকালীন কাম হ'ল বিত্তীয় ঘাটি যিমান পৰা যায় হ্ৰাস কৰি অনাটো।

৫৫। ৰাজ্যখনৰ কৰ বহিৰ্ভূত ৰাজহৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উৎস হ'ল খাৰুৱা তেলৰ ৰয়েল্‌টি। টনে প্ৰতি ৩১৪ টকা ৰয়েল্‌টিৰ এতিয়াৰ হাৰ ১৯৯০ চনৰ পহিলা এপ্ৰিলৰ পৰাই সংশোধন কৰিব লগীয়া আছিল। ইতিমধ্যে ৰাজ্য চৰকাৰে তেলৰ ৰয়েল্‌টিৰ হাৰ সংশোধন কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এখন স্মাৰক পত্ৰ দাখিল কৰিছেই। বৰ্দ্ধিত হাৰৰ ৰয়েল্‌টিৰ উপৰিও খাৰুৱা তেলৰ মূল্যৰ ২০ শতাংশ হাৰত আপোনা-আপুনি ৰয়েল্‌টিৰ বাৰ্ষিক সংশোধন হোৱাটো ৰাজ্য চৰকাৰে দাবী

কৰিছে। শ্ৰীভি বি ঈশ্বৰণৰ নেতৃত্বাধীন কমিটী এখনলৈ বিষয়টো পঠিওৱা হৈছিল। কমিটীয়ে অলপতে ইয়াৰ প্ৰতিবেদনো দাখিল কৰিছে বুলি জানিব পৰা গৈছে। মই নিজেও অলপতে কেন্দ্ৰীয় বিত্ত মন্ত্ৰীৰ সৈতে ৰয়েলিটিৰ হাৰ সংশোধনৰ বিষয়টো আলোচনা কৰিছিলো। মোক জনাইছে যে সংশোধিত ৰয়েলিটিৰ হাৰ সম্পৰ্কীয় সিদ্ধান্ত সোনকালেই লোৱা হ'ব।

৫৬। ৰাজ্যখনৰ আন এটা কৰ বহিৰ্ভূত ৰাজহৰ উৎস হ'ল বন। মই যোৱা বছৰ উল্লেখ কৰিছিলোৱেই যে ঘাইকৈ কাঠৰ কুণ্ডা কৰা কামটো ( logging operations ) বন্ধ কৰা বাবেই ১৯৮৫ চনৰ পৰা এই শিতানত হোৱা আয় কমি গৈছে। চৰকাৰে বৰ্ত্তমানে ৰয়েলিটিৰ হাৰ সংশোধনৰ প্ৰস্তাৱ চূড়ান্ত কৰিছে। ইয়াৰ ফলত পাৰিপাৰ্শ্বিকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ বন ৰাজহ বৃদ্ধি পাব। ১৯৯১-৯২ চনত বন ৰাজহ হিচাপে আশা কৰা ১৮ কোটি টকাৰ সংগ্ৰহৰ বিপৰীতে ১৯৯২-৯৩ চনৰ বাবে ২১ কোটি টকাৰ লক্ষ্য লোৱা হৈছে। কৰ বহিৰ্ভূত ৰাজহৰ বেলেগ বেলেগ শিতান সন্দৰ্ভত অন্যান্য বিভিন্ন সেবাৰ মূল্যৰ পুংখানুপুংখ পৰীক্ষা কৰি তেনে মূল্যৰ পৰিমাণ যিমান দূৰ পাৰি উৎপাদন ব্যয়ৰ সমান কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

৫৭। ঔদ্যোগিক উন্নয়ন, নগৰীকৰণ আদিত পিছ পৰি থকাৰ লগতে, ৰাজ্যখনৰ সাধাৰণ অনগ্ৰসৰতাৰ হেতু কৰ বা কৰ বহিৰ্ভূত ৰাজহৰ যোগেদি অতিৰিক্ত সম্পদ বঢ়োৱাৰ সামৰ্থ্য সীমিত হৈ আছে। এনেবোৰ বাধা থকা স্বত্বেও বিভিন্ন উৎসৰ পৰা পোৱা ৰাজহ ক্ৰমান্বয়ে বাঢ়িছে। ১৯৯০-৯১ চনত বিক্ৰী কৰৰ পৰা হোৱা প্ৰকৃত সংগ্ৰহ - ১৯৮৫-৮৬ চনৰ ১২৮ কোটি টকাৰ বিপৰীতে ২৪৩ কোটি টকা। ১৯৯২-৯৩ চনৰ লক্ষ্য হ'ল ৩১০ কোটি টকা। সেই একে সময়ছোৱাত ৰাজ্যিক কৰৰ পৰা হোৱা সৰ্বমুঠ সংগ্ৰহ ২৩৫ কোটি টকাৰ পৰা ৪২০ কোটি টকালৈ বৃদ্ধি

হৈছে । ১৯৯২-৯৩ চনৰ বাবে সংগ্ৰহৰ লক্ষ্য ধাৰ্য করা হৈছে ৪৯১ কোটি টকা ।

**অতিৰিক্ত সম্পদ আহৰণ**

৫৮। অতিৰিক্ত সম্পদ আহৰণৰ ক্ষেত্ৰত আমাৰ প্ৰাথমিক প্ৰয়াস হ'ব অধিক ফলপ্ৰসূ কৰ প্ৰশাসন তথা কৰ সংগ্ৰহ ছিদ্ৰহীন কৰাৰ পদ্ধতি প্ৰবৰ্ত্তনৰ লগতে কৰৰ গাঁথনি বহলোৱাৰ দিশত । ৰাজ্য চৰকাৰে কৰৰ গাথনি সৰল আৰু সুবিন্যস্ত কৰাৰ জৰিয়তে অতিৰিক্ত ৰাজহ আহৰণৰ সম্ভাব্য উপায় পৰীক্ষা কৰি পৰামৰ্শ দিবলৈ বুলি এক বিশেষজ্ঞ গোটৰ সহায় বিচাৰিছে ।

**বিক্ৰীকৰৰ হাৰ সংশোধন**

৫৯। জনসাধাৰণৰ ওপৰত যিকোনো ধৰণৰ বোজা জাপি দিয়াৰ ক্ষেত্ৰত থকা আমাৰ অনীহা আৰু সৰ্বসাধাৰণক সকাহ দিবৰ বাবে থকা আমাৰ প্ৰতিশ্ৰুতি সত্বেও অতিৰিক্ত কৰৰ কিছু ব্যৱস্থা এৰাই চলিব নোৱাৰি । মই লক্ষ্য কৰিছো যে কিছুমান সামগ্ৰীৰ ক্ষেত্ৰত বিক্ৰী কৰৰ হাৰ যিমান হব লাগে তাতকৈ সামান্য কম । এই বিসঙ্গতি দূৰ কৰিবৰ বাবে মই হোছিয়াৰী সামগ্ৰীত বৰ্ত্তমানে থকা শতকৰা ৬ ভাগৰ পৰা আৰু কিছুমান টয়লেট সামগ্ৰী, ক্ৰকাৰী আৰু কাটলেৰী, বনস্পতি তেল, চাবোন, ডিটাৰজেন্ট আৰু জুইশলাত থকা বিক্ৰী কৰ শতকৰা ৭ ভাগৰ পৰা মূল্যৰ ভিত্তিত শতকৰা ৮ ভাগলৈ সামান্যৰূপে বঢ়োৱাৰ প্ৰস্তাব কৰা হৈছে । বৰ্ত্তমান ধানৰ ওপৰত শতকৰা ২ ভাগ মূল্যভিত্তিক ক্ৰয় কৰ লগোৱা হৈ আছে, কিন্তু ঘেঁহু আৰু ঘেঁহুজাত সামগ্ৰীৰ ওপৰত কোনো ধৰণৰ কৰ লগোৱা হোৱা নাই । অন্যান্য ৰাজ্যত সৰিয়হ তেল আৰু ৰেপচীড তেলত কৰ আছে যদিও আমাৰ ৰাজ্যত ইয়াৰ ওপৰত কোনো বিক্ৰী কৰ নাই । এই বিসঙ্গতিবোৰ আঁতৰাবলৈ ধানৰ ওপৰত থকা ক্ৰয় কৰ উঠাই লোৱাৰ প্ৰস্তাব কৰা হৈছে আৰু তাৰ সলনি চাউল, ঘেঁহু আৰু ঘেঁহুজাত সামগ্ৰীৰ ওপৰত ২ শতাংশ পৰিমাণে মূল্যভিত্তিক সামান্য কৰ বহুৱাবলৈ বিচৰা হৈছে । এই নতুন কৰৰ বোজাৰ

পৰা দুখীয়া শ্ৰেণীক সকাহ দিবলৈ বুলি প্ৰতি কিলোগ্ৰামত ২ টকা মূল্যত চাউল যোগান ধৰাৰ কাৰ্য্যসূচীখনক এই কৰৰ পৰা মুক্ত কৰি ৰাখিবলৈ বিচৰা হৈছে। আনহাতে সৰিয়হ আৰু ৰেপচীড তেলৰ ওপৰত মূল্যৰ ভিত্তিত ২ শতাংশ কৰ বহুৱাৰ প্ৰস্তাৱ কৰা হৈছে।

৬০। এক বুজন সংখ্যক ৰেষ্টোৰাঁ আৰু ভোজনালয়ে ভালদৰেই ব্যৱসায় কৰি যথেষ্ট লাভ উপাৰ্জন কৰি আছে। ৰাজ্যিক কৰৰ কিয়দংশ বহন কৰিবলৈ তেওঁলোকৰ সামৰ্থ্য আছে যদিও এতিয়ালৈকে তেওঁলোকে ইয়াৰ পৰা ৰেহাই পাই আছে। ইয়ালৈ চাই বছৰি ১ লাখ টকাৰ অধিক আয় কৰা ৰেষ্টোৰাঁ আৰু ভোজনালয় সমূহত বিক্ৰী হোৱা আৰু এতিয়ালৈকে কৰ আৰোপ নকৰা প্ৰস্তুত খাদ্য সামগ্ৰীৰ ওপৰত মূল্যৰ ভিত্তিত ৭ শতাংশ বিক্ৰীকৰ ধাৰ্য্য কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। এই ব্যৱস্থাসমূহে প্ৰায় ১৮ কোটি টকাৰ ওপৰঞ্চি ৰাজহ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। সদনৰ চলিত অধিবেশনতে এই সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰা হ'ব।

মটৰ গাড়ী কৰ তথা যাত্ৰী আৰু মালবস্তু কৰৰ **পুনৰ গাঁথনি**

৬১। বৰ্ত্তমানে চলি থকা মটৰ গাড়ী কৰৰ নিৰিখ ১৯৬৬ চনতেই ধাৰ্য্য কৰা হৈছিল। বিভিন্ন ৰাজ্যৰ মটৰ গাড়ীৰ কৰ গাঁথনি তুলনামূলক ভাবে বিচাৰ কৰিলে দেখা যায় যে অসম হ'ল আটাইতকৈ কম মটৰ গাড়ী কৰ লগোৱা ৰাজ্যসমূহৰ ভিতৰত অন্যতম। মটৰ গাড়ী কৰ আৰু যাত্ৰী তথা মালবস্তুৰ কৰৰ গাঠনি সলাবলৈ বিচৰা ব্যৱস্থা এটা সদনৰ যোৱা অধিবেশনত উত্থাপন কৰিব খোজা হৈছিল যদিও সময়ৰ নাটনি হোৱাত কৰিব পৰা নগ'ল। কিছু সাল-সলনি কৰি সেই বিধেয়ক চলিত অধিবেশনত উত্থাপন কৰা হ'ব। এই ব্যৱস্থাবোৰে বছৰি অতিৰিক্ত ১৮ কোটি টকাৰ ৰাজহ আনি দিব বুলি আশা কৰা হৈছে।

বৃত্তি কৰ

৬২। বৰ্ত্তমানে ৰাজ্যিক বৃত্তি কৰ সকলো ক্ষেত্ৰতে আয়ৰ ভিত্তিত ধাৰ্য্য কৰা হয়। ইয়াৰ ফল স্বৰূপে বেতনভোগী কৰ্মচাৰীসকলৰ বাহিৰে অইন ক্ষেত্ৰত বৃত্তি কৰ নিৰূপণত বহুতো অসুবিধাৰ সৃষ্টি হয় আৰু ৰাজহ সংগ্ৰহতো সুৰুঙা ৰৈ যায়। এই অসুবিধাসমূহ আঁতৰাবলৈ আৰু সুৰুঙাসমূহ বন্ধ কৰিবলৈ এই হাৰ পুনৰ নিৰ্দ্ধাৰণৰ প্ৰস্তাব কৰা হৈছে যাতে কেৱল বেতনভোগী ব্যক্তিৰ ক্ষেত্ৰতহে কৰৰ নিৰিখ উপাৰ্জন ভিত্তিক হয়। অন্যান্য ক্ষেত্ৰত কৰৰ নিৰিখ আয় ভিত্তিক নহ'ব, ই বৃত্তি, জীৱিকা বা ব্যৱসায়ৰ ধৰণ অনুযায়ী বেলেগ বেলেগ হ'ব। সদনৰ চলিত অধিবেশনতে এই উদ্দেশ্যে প্ৰয়োজনীয় বিধিগত পৰিবৰ্ত্তনৰ প্ৰস্তাব দাঙি ধৰা হ'ব। মাহেকত ২৯১৬ টকাতকৈ কম উপাৰ্জনৰ বেতনভোগী ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য কৰৰ নিৰিখ সামান্য কম কৰা হ'ব, আনহাতে ইয়াৰ ফলত হোৱা ক্ষতি পূৰণৰ অৰ্থে অন্যান্য ক্ষেত্ৰত এই কৰৰ নিৰিখ সামান্য ভাবে বঢ়োৱা হব।

বিলাসিতা কৰ

৬৩। বিলাসপূৰ্ণ হোটেলত থকা-মেলাৰ বাবদ বিভিন্ন হাৰত এবিধ কৰ ধাৰ্য কৰাৰ প্ৰস্তাব কৰা হৈছে। দেখা যায় যে হোটেলত থকাৰ বাবদ দিয়া ভাৰা ভিত্তিক কৰ ব্যৱস্থাই কৰ ফাঁকি বা কৰৰ পৰা আঁতৰি থকাত সহায় কৰে। এই সুৰুঙা বন্ধ কৰিবলৈ সেই গাঁথনিত পৰিবৰ্ত্তন সাধিবলৈ বিচৰা হৈছে। বৰ্ত্তমানে থকা ব্যক্তি ভিত্তিক কৰৰ সলনি এই নিৰিখ কোঠাৰ ভাৰাৰ আধাৰত কৰিবলৈ প্ৰস্তাব কৰা হৈছে। আশা কৰা হৈছে যে এই পৰিবৰ্ত্তনৰ ফলস্বৰূপে বছৰি ৪০ লাখ টকাৰ অতিৰিক্ত ৰাজহ পোৱা যাব। এই সম্পৰ্কীয় বিধেয়কো সদনৰ চলিত অধিবেশনতে উত্থাপন কৰা হ'ব।

হিচাপ
১৯৯০-৯১

৬৪। যোৱা বছৰৰ চেপ্তেম্বৰ মাহত সদনত উত্থাপন কৰা ১৯৯১-৯২ চনৰ বাজেট প্ৰাককলনত ১৯৯০-৯১ চন (সংশোধিত প্ৰাককলন) ৰ সামৰণি হিচাপত ৭২ কোটি টকাৰ ঘাটি দেখুওৱা হৈছিল। মাননীয় সদস্য সকলক জনাবলৈ পাই মই সুখী হৈছো

যে বছৰটো প্ৰকৃতাৰ্থত শেষ হয় মহাগাণনিকে দাখিল কৰা হিচাপ অনুযায়ী ৫৮ কোটি টকাৰ ৰাহিৰ সামৰণি হিচাপেৰে।

**সংশোধিত প্ৰাককলন ১৯৯১-৯২**

৬৫। ৭২ কোটি টকাৰ আৰম্ভনিৰ ঘাটিকে ধৰি ১৯৯১-৯২ চনৰ বাজেট প্ৰাককলনে ৩১৩ কোটি টকাৰ আনুমানিক ঘাটি দেখুৱাইছিল। ১৯৯১-৯২ চন বছৰটোৰ বাবে সম্প্ৰতি সংশোধিত প্ৰাককলনত কেৱল মাত্ৰ ৫৯ কোটি টকাৰ ঘাটিহে দেখা গৈছে। আৰম্ভনিৰ হিচাপ ৭২ কোটি টকাৰ ঘাটিৰ পৰা ৫৮ কোটি টকাৰ ৰাহিলৈ উন্নীত হোবাৰ লগতে প্ৰাপ্তিৰ ক্ষেত্ৰত হোবা বৃদ্ধিয়েই ইয়াৰ কাৰণ।

**বাজেট ১৯৯২-৯৩**

৬৬। ১৯৯১-৯২ চনৰ সংশোধিত প্ৰাককলনতকৈ ১৯৯২-৯৩ চনৰ বাজেটৰ প্ৰাপ্তিৰ পৰিমাণ ৬২৬ কোটি টকা পৰ্যন্ত বাঢ়িব বুলি ধৰা হৈছে। অৱশ্যে, খৰচৰ শিতানতো ১৯৯১-৯২ চনৰ সংশোধিত প্ৰাককলনৰ তুলনাত ৪১৩ কোটি টকাৰ বৃদ্ধি দেখুওবা হৈছে। প্ৰধানতঃ দৰিদ্ৰতা সীমাৰেখাৰ তলত থকা ৰাইজলৈ ৰেহাই মূল্যত চাউল যোগান ধৰিবলৈ চৰকাৰৰ প্ৰতিশ্ৰুতি, চিকিৎসা বানচৰ সংশোধন আৰু ৰাজ্য চৰকাৰৰ কৰ্মচাৰীলৈ দিয়া এককালীন ধন মঞ্জুৰীয়েই ইয়াৰ কাৰণ।

৬৭। ১৯৯২-৯৩ চন বছৰটোৰ আনুমানিক লেন-দেন সমূহৰ ফলত ৯৫ কোটি টকাৰ ৰাহি হ'বগৈ। আনুমানিক ৫৯ কোটি টকাৰ ঘাটিৰে আৰম্ভ হোবা ১৯৯২-৯৩ চনৰ বছৰটো ৩৬ কোটি টকাৰ ৰাহিৰে ওৰ পৰিবগৈ বুলি আশা কৰা হৈছে। লেন-দেন সমূহৰ এক সংক্ষিপ্ত বিবৰণ পৰিশিষ্টত সন্নিবিষ্ট কৰা হৈছে।

৬৮। নতুন কৰ ব্যৱস্থা সমূহে ১৯৯২-৯৩ চনৰ বছৰটোত প্ৰায় ৪০ কোটি টকাৰ অতিৰিক্ত ৰাজহ আনি দিব বুলি হিচাপত দেখা গৈছে। এইখিনি ধন দুৰ্বল শ্ৰেণীৰ ৰাইজৰ উপকাৰৰ বাবে

লোৱা আচনিত আৰু অতিৰিক্ত নিয়োগ সৃষ্টি কৰাৰ কাৰ্যসূচীত লগোৱা হব।

৬৯। নতুন কৰ ব্যৱস্থাৰে অহা প্ৰায় ৪০ কোটি টকাৰ প্ৰাপ্তিৰে সৈতে ১৯৯২-৯৩ চনৰ বছৰটো মুঠ প্ৰায় ৭৬ কোটি টকাৰ ৰাহিৰে ওৰ পৰিবগৈ বুলি আশা কৰা হৈছে।

অধ্যক্ষ মহোদয়, ৰাজ্যখনত শান্তি আৰু সুস্থিৰতা পুনৰ নিশ্চিত কৰাৰ লগতে আৰ্থ-সামাজিক বিকাশৰ প্ৰক্ৰিয়াটো পুনৰ আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতিৰে আমি চৰকাৰ গঠন কৰিছিলো। সেইমতে ৰাজ্যখনৰ হেৰোৱা শান্তি আৰু সুস্থিৰতা এতিয়ালৈ ভালেখিনি ঘূৰাই আনিব পৰা হৈছেও। ৰাইজৰ মনলৈ নিৰাপত্তা আৰু বিশ্বাসৰ ভাব উভতি আহিছে। ভয়াবহ অবস্থাৰ সৃষ্টি কৰা সমস্যাসমূহৰ শান্তিপূৰ্ণ সমাধানৰ সম্ভাৱনাও উজ্জল হৈ উঠিছে। সেইফালৰ পৰা চাবলৈ গলে আমি আমাৰ প্ৰতিশ্ৰুতি পূৰণত কিছু পৰিমাণে হলেও সফলকাম হব পাৰিছো। আৰ্থ-সামাজিক বিকাশৰ ক্ষেত্ৰত সম্প্ৰতি এক গতিশীলতা আনিবলৈ আমি যত্ন কৰিছো। আমি নজনা নহয় যে আমাৰ ৰাজ্যখনৰ সমস্যাৰ লেখ-জোখ নাই আৰু কৰিবলগীয়া কামো সেয়ে অলেখ। তদুপৰি যোৱা কেইবছৰমানত ৰাজ্যখনৰ আৰ্থ-সামাজিক জীৱনলৈ অহা স্থবিৰতাৰ বাবেও বহুখিনি কাম নতুনকৈ আৰম্ভ কৰিবলগীয়াৰ দৰে হৈছেহি। এটা বছৰত সকলোখিনি কাম কৰাটো সম্ভব নহয়; কিন্তু তথাপিও সঠিক বাটেৰে বাট বুলাৰ কামটো ততালিকে আৰম্ভ কৰিব লাগিব। ৰাজ্যখনৰ আৰ্থ-সামাজিক বিকাশ আৰু ৰাইজৰ কল্যাণৰ বাবে সঠিক বাটেৰে দিয়া এক নতুন পদক্ষেপ হিচাপেই এই বাজেট প্ৰস্তাৱ সমূহো যুগুতোৱা হৈছে।

এইখিনি কথাৰেই, অধ্যক্ষ মহোদয়, ১৯৯২-৯৩ চনৰ বাজেটখন মই সন্মানিত সদনৰ বিবেচনাৰ বাবে আগবঢ়াই দিলো।

# পৰিশিষ্ট

## লেন-দেনৰ সংক্ষিপ্ত বিবৰণ

(হেজাৰ টকাৰ হিচাপত)

| | প্ৰকৃত ১৯৯০-৯১ | বাজেট প্ৰাককলন ১৯৯১-৯২ | সংশোধিত প্ৰাককলন ১৯৯১-৯২ | বাজেট প্ৰাককলন ১৯৯২-৯৩ |
|---|---|---|---|---|
| (ক) প্ৰাপ্তি | | | | |
| ১। একত্ৰিত পুঁজি ৰাজহ হিচাপ | ১৭৭৬,৬৪,৮২ | ২৪৯৯,০৬,৩০ | ২৫৫৩,৬৪,৬১ | ৩২৩৩,৯৩,৪৩ |
| মূলধন হিচাপ | ২২০০,৫৭,৭৪ | ৯৬৪,৫২,৬১ | ৯৫৪,৩২,৪১ | ৯৫৯,০২,৫৫ |
| মুঠ ঃ | ৩৯৭৭,২২,৫৬ | ৩৪৬৩,৫৮,৯১ | ৩৫০৭,৯৭,০২ | ৪১৯২,৯৫,৯৮ |
| ২। আকস্মিক নিধি হিচাপ | ৬,৯৫,২৫ | ৪,৪১,০০ | ১৯,৩৩,৮৯ | ২,৯৫,০০ |
| ৩। ৰাজহুৱা হিচাপ | ১২৪৬,৮৪,৪০ | ১৩৭৬,৫৬,০০ | ১৪৫১,৪১,০০ | ১৪০৮,৮২,০০ |
| সৰ্বমুঠ (১+২+৩) | ৫২৩১,০২,২১ | ৪৮৪৪,৫৫,৯১ | ৪৯৭৮,৭১,৯১ | ৫৬০৪,৭২,৯৮ |
| (খ) ব্যয় | | | | |
| ১। একত্ৰিত পুঁজি ৰাজহ হিচাপ | ১৯২০,৪০,১৫ | ২২৬৫,৬৪,৯২ | ২৩১৩,৩০,০৬ | ২৬১৫,২৮,৫২ |
| মূলধন হিচাপ | ২০৪৩,৮৪,১৬ | ১৪৭৫,২৯,৫৫ | ১৪২২,৩২,৩৭ | ১৫২৮,১২,৬৮ |
| মুঠ | ৩৯৬৪,২৪,৩১ | ৩৭৪০,৯৪,৪৭ | ৩৭৩৫,৬২,৪৩ | ৪১৪৩,৪১,২০ |
| ২। আকস্মিক নিধি হিচাপ | ১,৯৫,৩৬ | — | ১৫,২৫,০০ | — |
| ৩। ৰাজহুৱা হিচাপ | ১২৩২,০৭,৪৬ | ১৩৪৫,০৬,০০ | ১৩৪৫,০৬,০০ | ১৩৬৫,৭৫,০০ |
| সৰ্বমুঠ (১+২+৩) | ৫১৯৮,২৭,১৩ | ৫০,৮৬,০০,৪৭ | ৫০৯৫,৯৩,৪৩ | ৫৫০৯,১৬,২০ |
| (গ) বছৰটোৰ ভিতৰত লেন-দেন বাহি (+) ঘাটি (-) | (+) ৩২,৭৫,০৮ | (-) ২৪১,৪৪,৫৬ | (-) ১১৭,২১,৫২ | (+) ৯৫,৫৬,৭৮ |
| (ঘ) আৰম্ভনিৰ হিচাপ বাহি (+) ঘাটি (-) | (+) ২৫,১৫,৭৭ | (-) ৭১,৬৭,৪৫ | (+) ৫৭,৯০,৮৫ | (-) ৫৯,৩০,৬৭ |
| (ঙ) সামৰণিৰ হিচাপ বাহি (+) ঘাটি (-) | (+) ৫৭,৯০,৮৫ | (-)৩১৩,১২,০১ | (-) ৫৯,৩০,৬৭ | (+) ৩৬,২৬,১১ |